**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-11-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যৰ পাঁচটা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। শাসকীয় বিজেপিকে ধৰি অন্যান্য দলসমূহে সমষ্টিয়ে সমষ্টিয়ে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ সভাৰ আয়োজন কৰিছে। মন্ত্ৰী পীযূষ হাজৰিকাই বিহালী সমষ্টিৰ কেইবাটাও অঞ্চলত বিজেপিৰ মনোনীত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা, সাংসদ ৰঞ্জীত দত্তকে ধৰি ভালকেইগৰাকী বিজেপি নেতাই এই প্ৰচাৰ সভাত উপস্থিত থাকে।

ইপিনে মন্ত্ৰী ৰণজিত কুমাৰ দাসে বঙাইগাঁও বিধানসভা সমষ্টিৰ দুলাইগাঁও গাঁও পঞ্চায়তত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ হৈ প্ৰচাৰ চলায়। তেওঁ অগপৰ বঙাইগাঁও জিলা কাৰ্যালয়ত এখন বৈঠকত অংশগ্ৰহণ কৰি অহা ৬ নৱেম্বৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমষ্টিটোত সম্বোধন কৰিবলগীয়া জনসভাৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰে। একেদৰে চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ এন ডি এ-ৰ মনোনীত বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ মন্ত্ৰী কেশৱ মহন্ত আৰু অতুল বৰাই প্ৰচাৰ চলায়।

আনহাতে সাংসদ ৰকিবুল হুছেইনে চামগুৰি বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইনৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই জনসভাত অংশ লয়। সাংসদ গৌৰৱ গগৈয়ে বিহালী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাৰ হৈ কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ধলাই সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থৰ হৈ এ আই চি চিৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিং প্ৰচাৰ সভাত অংশ লয়। জিতেন্দ্ৰ সিঙৰ লগতে এ আই চি চিৰ সম্পাদক পৃথ্বীৰাজ সাথে, এ পি চি চিৰ সভাপতি ভূপেন বৰা, বিধায়ক নন্দিতা দাসৰ লগতে ভালেসংখ্যক দলীয় নেতা-কৰ্মীয়ে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। হাইলাকান্দিত ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত আমাৰ সংবাদদাতা নিলোৎপল দেৱে এইদৰে কয় -

**-ভইচ কাষ্ট-**

ইপিনে, চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত ৮৫ বয়সৰ উৰ্ধৰ ভোটাৰ আৰু বিশেষভাৱে সক্ষম ভোটাৰসকলৰ বাবে জিলা নিৰ্বাচনী বিভাগে নিজ গৃহতে ভোটগ্ৰহণ সাব্যস্ত কৰাৰ প্ৰক্ৰিয়া আজি আৰম্ভ কৰিছে। সমষ্টিটোৰ এনে ভোটাৰসকলৰ ঘৰে ঘৰে গৈ নিৰ্বাচনী বিষয়াসকলে প'ষ্টেল বেলেটৰ যোগেদি ৪ৰ পৰা ৬ নৱেম্বৰৰ ভিতৰত ভোট সংগ্ৰহ কৰিব।

০০০০০০০

বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যুবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত কাইলৈ জালুকবাৰীত থকা শিল্পীগৰাকীৰ সমাধিস্থলীত পুৱা চাৰে ৯ বজাৰ পৰা স্মৃতিচাৰণ সভা তথা সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠান আৰু চাৰে ১১ বজাৰপৰা সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব। একেদৰে ড° ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে মহানগৰীৰ চচলত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰে হাতত লোৱা ভাষা গৌৰৱ সপ্তাহৰ সৈতে সংগতি ৰাখি গুৱাহাটী বিশ্ববিদ্যালয়ত দুদিনীয়াকৈ বিশেষ কাৰ্যসূচী অনুষ্ঠিত হৈছে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ননীগোপাল মহন্তই ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীৰ উদ্বোধন কৰে। উদ্বোধনী ভাষণত চৰ্যাপদৰ পৰা নব্য ভাৰতীয় আৰ্য ভাষালৈ অসমীয়া ভাষাৰ দীঘলীয়া পৰিক্ৰমা সন্দৰ্ভত তেওঁ বিৱৰণ দাঙি ধৰে। ভাষণ প্ৰসংগত তেওঁ অসমীয়া ভাষাৰ চৰ্চা, গৱেষণা ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়াই থৈ যোৱা ভাষাবিদ পণ্ডিতসকলক স্মৰণ কৰে। অনুষ্ঠানত অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰা চাৰিগৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে অসম প্ৰকাশন পৰিষদৰ সচিব তথা খচৰা সমিতিৰ সদস্য সচিব প্ৰমোদ কলিতা, ভাস্কৰজ্যোতি শৰ্মা, বৰভাগ কলেজৰ অধ্যাপিকা নমিতা ডেকা আৰু বড়ো ভাষাৰ সাহিত্যিক নন্দেশ্বৰ দৈমাৰীক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ লগতে অনুষ্ঠানৰ সৈতে সংগতি ৰাখি চাৰিটা বিশেষ বক্তৃতা কাৰ্যসূচী অনুষ্ঠিত হয়। ভাষা গৌৰৱ সপ্তাহৰ সৈতে সংগতি ৰাখি কাইলৈ কেইবাটাও গুৰুত্বপূৰ্ণ বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০

বৰপেটা জিলাৰ বিভিন্ন স্থানত নিচাযুক্ত সামগ্ৰী সৰবৰাহ আৰু বিক্ৰী ৰোধ কৰিবলৈ কেইবাখনো গাঁৱত গাঁওপ্ৰধান আৰু গাঁওৰক্ষী বাহিনীয়ে অভিযান অব্যাহত ৰাখিছে। এই অভিযানৰ অংশ হিচাপে কলগাছিয়া ৰাজহ চক্ৰৰ খাৰবল্লি, সুথিৰপাথাৰ, আমগুৰিকে ধৰি কেইবাখনো গাঁৱত চলোৱা অভিযানত ভাং খেতি নষ্ট কৰা হয়। বিগত কিছুদিন ধৰি ৰাইজে নিজাববীয়াকৈ এই অভিযান অব্যাহত ৰাখিছে। ইতিমধ্যে কমেও সাতটা পৰিয়ালৰ ঘৰৰ চৌহদৰ ভাং খেতি ৰাইজে নষ্ট কৰিছে বুলি জানিব পৰা গৈছে।

০০০০০০০

আয়ুৰ্বেদিক চিকিৎসা সংস্থাৰ উদ্যোগত আৰু বিশ্ব আয়ুৰ্বেদ পৰিষদ, অসম শাখা আৰু চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়, গুৱাহাটীৰ সহযোগত অহা ৯ আৰু ১০ নৱেম্বৰত জালুকবাৰীৰ চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। আজি গুৱাহাটী প্ৰেছক্লাবত আয়োজিত এখন সংবাদমেলত আয়োজক সমিতিয়ে জনোৱা অনুসৰি আয়ুৰ্বেদৰ শেহতীয়া অগ্ৰগতি শীৰ্ষক বিষয়বস্তুৰে হ'বলগীয়া আলোচনাচক্ৰখনত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতিসম্পন্ন কেইবাগৰাকীও আয়ুৰ্বেদিক চিকিৎসক আৰু বিজ্ঞানীয়ে অংশগ্ৰহণ কৰিব। দেশৰ ১৯ খন ৰাজ্যৰ প্ৰায় চাৰি শতাধিক অংশগ্ৰহণকাৰীয়ে কৰ্মশালাত যোগদান কৰিবলৈ নাম পঞ্জীয়ন কৰা বুলি আয়োজক সমিতিয়ে প্ৰকাশ কৰে। আলোচনাচক্ৰখন সাফল্যমণ্ডিত কৰিবলৈ ইতিমধ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক মুখ্য পৃষ্ঠপোষক হিচাপে লৈ এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰা বুলিও তেওঁলোকে জানিবলৈ দিয়ে।

০০০০০০০

**সমাপ্ত**